অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com
কৰ্ম মোৰ সংস্কৃতি

প্ৰসংগ : অজাবি/০০৯/০৮/২১-২২
*Ref* :

তাৰিখ : ২৪-১১-২০২১
*Date* :

# অসম জাতীয় বিদ্যালয়ত ব্যতিক্ৰমী কাৰ্য্যসূচীৰে লাচিত দিৱস উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ২৪ নৱেম্বৰ ঃ** অসমীয়াৰ জাতীয় বীৰ লাচিত বৰফুকনৰ সোঁৱৰণত অসম জাতীয় বিদ্যালয়ত আজি ব্যতিক্ৰমী কাৰ্য্যসূচীৰে লাচিত দিৱস উদ্‌যাপন কৰা হয়। পুৱা বিদ্যালয়ৰ বাকৰিত বীৰ লাচিত বৰফুকনৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন তথা মাল্যাৰ্পণ কৰাৰ পাছত বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলে জাতীয় মহানায়ক গৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। লাচিত বৰফুকনৰ আদৰ্শ তথা কৰ্মনিষ্ঠতাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি আজি বিদ্যালয়ৰ পাঠদান কাৰ্য্যসূচী নিয়মীয়াকৈ অনুষ্ঠিত হয়। বিদ্যালয় ছুটীৰ পাছত বিয়লি ২.৪০ বজাৰ পৰা দিৱসৰ অন্যান্য সাংস্কৃতিক কাৰ্য্যসূচী অনুষ্ঠিত কৰা হয়। বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীৰ ৫০ শতাংশ শিক্ষাৰ্থীৰ উপস্থিতিত সম্পূৰ্ণ ক'ভিড বিধি মানি চলি নিজ নিজ শ্ৰেণীকোঠাৰ ভিতৰতে এই দিৱস উদ্‌যাপন কৰা হয়। লাচিত দিৱস এক বন্ধৰ দিন নহৈ কৰ্মোদ্যম আৰু কৰ্ম-সংস্কৃতিৰ দিন হিচাপে শিক্ষাৰ্থীসকলক অৱগত কৰোৱাৰ উদ্দেশ্যে আয়োজন কৰা এই অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষাৰ্থী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে জাতীয় বীৰ গৰাকীৰ কৰ্ম-আদৰ্শৰ বিষয়ে বক্তৃতা প্ৰদান কৰাৰ উপৰি দেশপ্ৰেমমূলক গীত-মাত, নৃত্য, নাটক আদিও পৰিৱেশন কৰে। আনহাতে বিদ্যালয়ত আজিৰ দিনটোত অনুপস্থিত থকা অন্য ৫০ শতাংশ শিক্ষাৰ্থীৰ বাবে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱা আৰু জ্যেষ্ঠ শিক্ষয়িত্ৰী সোণালী গগৈয়ে প্ৰস্তুত কৰা লাচিত বৰফুকনৰ জীৱন আধাৰিত দুটা লেখা প্ৰেৰণ কৰা হয়। 'লাচিত দিৱস'ৰ কাৰ্য্যসূচীৰ সামগ্ৰিক দায়িত্বত আছিল বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী চন্দনা মেধি চৌধুৰী।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়